# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
# 0000000000

**Date : 30**-06-2026
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN
## HEADLINES

::::::::::::::::::::::::::::::::::::::::

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কালি নতুন দিল্লীৰ ৰাষ্ট্ৰপতি ভৱনত দ্বিতীয় পৰ্যায়ৰ সাহসিকতাৰ বঁটাসমূহ প্ৰদান কৰে।

২। চৰকাৰে পেট্ৰ'ল আৰু ডিজেলৰ বিক্ৰীৰ লগতে বিতৰণৰ অস্থায়ী নিষেধাজ্ঞা প্ৰত্যাহাৰ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে।

৩। উত্তৰ-পূবৰ ৰাজ্যসমূহত ধাৰাষাৰ বৰষুণৰ ফলত উদ্ভৱ হোৱা পৰিস্থিতি সন্দৰ্ভত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে অৰুণাচল প্ৰদেশ আৰু অসমৰ মুখ্যমন্ত্ৰীৰ সৈতে কালি টেলিফোন যোগে বাৰ্তালাপ কৰে।

৪। কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী শিৱৰাজ সিং চৌহানে বান পৰিস্থিতিৰ পৰ্যালোচনাৰ বাবে দুদিনীয়া কাৰ্যসূচীৰে আজি উত্তৰ-পূবত উপস্থিত হ'ব।

*আৰু*

৫। বিশ্বকাপ ফুটবল প্ৰতিযোগিতাত যোৱা নিশা অনুষ্ঠিত এখন খেলত ব্ৰাজিলে জাপানক ২-১ গ'লত পৰাস্ত কৰে।

০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কালি নতুন দিল্লীৰ ৰাষ্ট্ৰপতি ভৱনত দ্বিতীয় পৰ্যায়ৰ সাহসিকতাৰ বঁটাসমূহ প্ৰদান কৰে। এয়াৰ মাৰ্শ্বেল তৰুণ চৌধুৰী, লেফটেনেণ্ট জেনেৰেল নিৰজ বাঞ্চয়, লেফটেনেণ্ট জেনেৰেল বিকাশ ৰোহেল্লা, লেফটেনেণ্ট জেনেৰেল হৰবিন্দৰ সিং ভদ্ৰা, আৰু লেফটেনেণ্ট জেনেৰেল মহিন্দেৰ পালসিঙক অতি বিশিষ্ট সেৱা পদকেৰে সন্মানিত কৰা হয়। এই অনুষ্ঠানত  উপৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণ, প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙৰ লগতে কেন্দ্ৰীয় মন্ত্ৰীসকল আৰু সশস্ত্ৰ বাহিনীৰ জ্যেষ্ঠ বিষয়াসকল উপস্থিত থাকে। প্ৰতিৰক্ষা বাহিনী, কেন্দ্ৰীয় সশস্ত্ৰ আৰক্ষী বাহিনী আৰু অন্যান্য নিৰাপত্তা সংস্থাসমূহত কৰ্মৰত সাহসিকতাৰ উৎকৃষ্ট নিদৰ্শন দাঙি ধৰা লোকক এই বঁটা প্ৰদান কৰা হয়। এই বঁটাই সন্ত্ৰাসবাদ, উগ্ৰবাদকে ধৰি জম্মু-কাশ্মীৰ, উত্তৰ-পূৰ্বাঞ্চল আৰু দেশৰ সীমান্ত অঞ্চলৰ শত্ৰুৰ ভাবুকিৰ বিৰুদ্ধে ভাৰতৰ অবিৰত যুঁজখনক প্ৰতিফলিত কৰে। তদুপৰি বিমান পৰিবহণ, সামুদ্ৰিক অভিযান আৰু মানৱীয় অভিযানসমূহত দেখুওৱা অনবদ্য সাহসকো এই বঁটাৰ জৰিয়তে স্বীকৃতি দিয়া হয়। ইয়াৰ আগেয়ে ৰাষ্ট্ৰপতিগৰাকীয়ে যোৱা ৮ জুনত ৰাষ্ট্ৰপতি ভৱনত আয়োজিত অনুষ্ঠানত প্ৰথম পৰ্যায়ৰ সাহসিকতাৰ বঁটাসমূহ প্ৰদান কৰিছিল।

০০০০

চৰকাৰে পেট্ৰ'ল আৰু ডিজেলৰ বিক্ৰীৰ লগতে বিতৰণৰ অস্থায়ী নিষেধাজ্ঞা প্ৰত্যাহাৰ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰালয়ে কয়, যে অহা এক জুলাইৰ পৰা কাৰ্যকৰী হোৱাকৈ ৰাজহুৱা খণ্ডৰ তেল বিপণন কোম্পানীসমূহৰ খুচুৰা বিপণীসমূহত এই অস্থায়ী নিষেধাজ্ঞা প্ৰত্যাহাৰ কৰা হ'ব। বিবৃতিটোত লগতে কোৱা হৈছে যে, পশ্চিম এছিয়াৰ সংকটৰ সময়ত উদ্ভৱ হোৱা সমস্যাসমূহৰ বাবে যোৱা ১২ জুনৰ পৰা চৰকাৰে অস্থায়ী নিষেধাজ্ঞা আৰোপ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছিল। বৰ্তমান দেশত পেট্ৰ'ল-ডিজেলৰ যোগান স্বাভাৱিক অৱস্থালৈ ঘূৰি আহিছে আৰু জনসাধাৰণৰ প্ৰয়োজনীয়তাৰ প্ৰতি লক্ষ্য ৰাখি এই নিষেধাজ্ঞা প্ৰত্যাহাৰ কৰা হৈছে বুলি বিবৃতিটোত উল্লেখ কৰা হৈছে।

০০০০

উত্তৰ-পূবৰ ৰাজ্যসমূহত ধাৰাষাৰ বৰষুণৰ ফলত উদ্ভৱ হোৱা পৰিস্থিতি সন্দৰ্ভত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে অৰুণাচল প্ৰদেশ আৰু অসমৰ মুখ্যমন্ত্ৰীৰ সৈতে কালি টেলিফোন যোগে বাৰ্তালাপ কৰে। অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই গৃহমন্ত্ৰী শ্ৰী শ্বাহক উদ্ধাৰ আৰু সাহায্য অভিযানৰ বিষয়ে সবিশেষ অৱগত কৰে। উল্লেখযোগ্য যে, অসমৰ ধেমাজি জিলাৰ চাৰিটা ৰাজহচক্ৰৰ ৬৯ খন গাঁনৰ ১৬ হাজাৰৰো অধিক লোক বানৰ ফলত ক্ষতিগ্ৰস্ত হৈছে বুলি অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থা প্ৰাধিকৰণে প্ৰকাশ কৰিছে।

জোনাইৰ চিলে আৰু জোনাই নৈৰ বাঢ়নি পানীয়ে বাহিৰ জোনাই, লুহিজান, লোহিতপুৰ দেউৰী, বেৰাবেংগলী, অকলেণ্ডকে ধৰি কমেও কুৰিখন গাঁও জলমগ্ন কৰিছে। একেদৰে দিখাৰি নৈৰ বানে জোনাই অঞ্চলৰ ১৫ খনৰো অধিক গাঁও বুৰাই পেলাইছে। জিলাখনত বৰ্তমানলৈকে বানত ক্ষতিগ্ৰস্ত প্ৰায় ১২ হাজাৰ লোকৰ বাবে ৯টা আশ্ৰয় শিবিৰ স্থাপন কৰা হৈছে। ইপিনে চিমেন নৈৰ বাঢ়নি পানীয়ে নৈখনৰ ওপৰত থকা ৰে'ল দলঙৰ এটা অংশ খহাই নিয়াত চিলাপথাৰ আৰু মুৰ্কংচেলেকৰ মাজত ৰে'ল যোগাযোগ বন্ধ হৈ পৰিছে। অৰুণাচল প্ৰদেশৰ ১২ খন জিলাত বানৰ ফলত স্বাভাৱিক জীৱন যাত্ৰা ব্যাহত হৈছে। ৰাজ্যখনত ভূমিস্খলনৰ ফলত ছিজি-মাগি ব্লক পইণ্টত ছিজি নদীৰ সোঁত সম্পূৰ্ণৰূপে বন্ধ হৈ পৰাত নদীখনৰ স্বাভাৱিক জলধাৰা বন্ধ হৈ পৰে।

সমাগত ৫ দিনত উত্তৰ-পূৰ্বাঞ্চল, পশ্চিমবংগৰ কোনো কোনো অঞ্চল আৰু ছিকিমত ধাৰাষাৰ বৰষুণৰ সম্ভাৱনা আছে ভাৰতীয় বতৰ বিজ্ঞান বিভাগে প্ৰকাশ কৰিছে।

০০০০

কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী শিৱৰাজ সিং চৌহানে দুদিনীয়া কাৰ্যসূচীৰে আজি পৰা উত্তৰ-পূব ভ্ৰমণ কৰিব। শ্ৰী চৌহানে গুৱাহাটীত এখন উচ্চ পৰ্যায়ৰ পৰ্যালোচনা বৈঠকত অংশগ্ৰহণ কৰিব। এই বৈঠকত বানে অসম আৰু ইয়াৰ কাষৰীয়া অঞ্চলৰ শস্য, গাঁও, আৰু জটিল আন্তঃগাঁথনিৰ ওপৰত পেলোৱা প্ৰভাৱৰ পৰ্যালোচনা কৰি চলি থকা সাহায্য অভিযানৰ অগ্ৰগতিৰ মূল্যায়ন কৰিব, আৰু অধিক সহায় আৰু হস্তক্ষেপৰ প্ৰয়োজনীয়তাৰ বিষয়ে আলোচনা কৰিব। ইয়াৰ পিছত শ্ৰী চৌহানে অৰুণাচল প্ৰদেশৰ বানাক্ৰান্ত অঞ্চল পৰিদৰ্শন কৰি বানপীড়িত গাঁও, কৃষি পথাৰ, সাহায্য শিবিৰৰ অৱস্থাৰ মূল্যায়ন কৰিব। এই ভ্ৰমণৰ সময়ত মন্ত্ৰীগৰাকীয়ে ক্ষতিগ্ৰস্ত কৃষক, স্থানীয় বাসিন্দা, মহিলা গোট, আৰু

যুৱক-যুৱতীসকলৰ সৈতে পোনপটীয়াকৈ মত বিনিময় কৰি এতিয়ালৈকে গ্ৰহণ কৰা সাহায্য ব্যৱস্থাৰ ফলপ্ৰসূতাৰ বুজ ল'ব। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে অৰুণাচল প্ৰদেশ চৰকাৰৰ মন্ত্ৰী, জ্যেষ্ঠ বিষয়া, আৰু অন্যান্য জনপ্ৰতিনিধিৰ সৈতেও আলোচনাত মিলিত হ'ব। এই আলোচনাত ক্ষতিগ্ৰস্ত কৃষকৰ শস্যৰ ক্ষতিৰ মূল্যায়ন, ক্ষতিপূৰণ আৰু শস্য বীমাৰ ধন, বানপানীৰ ফলত ক্ষতিগ্ৰস্ত পথ, দলং, আৰু মথাউৰি পুনৰুদ্ধাৰৰ লগতে গ্ৰাম্য আন্তঃগাঁথনি পুনৰ নিৰ্মাণৰ কৌশলৰ ওপৰত গুৰুত্ব আৰোপ কৰা হ'ব।

০০০০

পশ্চিম বংগ চৰকাৰে ৰাজ্যখনত উমৈহতীয়া দেৱানী বিধি ইউচিচি কাৰ্যকৰী কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। ৰাজ্যখনৰ মুখ্যমন্ত্ৰী সুৱেন্দু অধিকাৰীয়ে বিধানসভাত ঘোষণা কৰা অনুসৰি অহা ২ জুলাইত অনুষ্ঠিত হ'বলগীয়া ৰাজ্যিক কেবিনেট বৈঠকত বিধেয়কখনৰ খচৰা প্ৰস্তাৱ দাখিল কৰা হ'ব। গুজৰাট, উত্তৰাখণ্ড, আৰু অসমৰ আৰ্হি অনুসৰণ কৰি উচ্চতম ন্যায়ালয়ৰ অৱসৰপ্ৰাপ্ত ন্যায়াধীশ ৰঞ্জনা দেশাইৰ নেতৃত্বত এখন সমিতি গঠন কৰা হৈছে। মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে সমিতিখনে বিবাহ, বিবাহ বিচ্ছেদকে ধৰি মুঠ ৯টা বিষয়ৰ ওপৰত অধ্যয়ন কৰিব আৰু চাৰি সপ্তাহৰ ভিতৰত প্ৰতিবেদন দাখিল কৰিব। অৱশ্যে তেওঁ স্পষ্ট কৰি দিয়ে যে অনুসূচিত জনজাতি (আদিবাসী), কুৰ্মী, আৰু প্ৰাচীন খিলঞ্জীয়া সম্প্ৰদায়ক এই আইনৰ পৰিসৰৰ বাহিৰত ৰখা হ'ব।

০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু দুদিনীয়া ভ্ৰমণসূচীৰে আজি অন্ধ্ৰ প্ৰদেশত উপস্থিত হ'ব। ৰাজ্যখনৰ ভিজিয়ানাগাৰামত আজি কেন্দ্ৰীয় জনজাতি বিশ্ববিদ্যালয়ৰ প্ৰথম সমাৱৰ্তন সমাৰোহত ৰাষ্ট্ৰপতিগৰাকীয়ে অংশ ল'ব। কাইলৈ তেওঁ অনন্তপুৰামত কেন্দ্ৰীয় বিশ্ববিদ্যালয়ৰ প্ৰথম সমাৱৰ্তন সমাৰোহত উপস্থিত থাকিব।

০০০০

কেন্দ্ৰীয় তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ে দেশৰ চলচ্চিত্ৰ উদ্যোগক উন্নীত কৰাৰ লক্ষ্যৰে বিশেষ সিদ্ধান্ত গ্ৰহণ কৰিছে। তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱৰ অধ্যক্ষতাত নতুন দিল্লীত কালি অনুষ্ঠিত এখন উচ্চ পৰ্যায়ৰ বৈঠকত এই সিদ্ধান্ত গ্ৰহণ কৰা হয়। এই বৈঠকত প্ৰচাৰ ভাৰতীৰ অধ্যক্ষ প্ৰসূন যোশীৰ অধ্যক্ষতাত এটা উচ্চ পৰ্যায়ৰ অধ্যয়ন গোট গঠন কৰা হৈছে। এই গোটে দেশৰ চিনেমা উদ্যোগৰ সুযোগ আৰু প্ৰত্যাহ্বানসমূহ অধ্যয়ন কৰিব। মন্ত্ৰালয়ে ৰাজ্যসমূহে গ্ৰহণ কৰাৰ বাবে আৰ্হি ৰাজ্যিক চিনেমা নিয়মাৱলীও প্ৰস্তুত কৰিছে। ৰাজ্য চৰকাৰসমূহক এই নিয়মাৱলী গ্ৰহণ কৰিবলৈ আহ্বান জনোৱা হৈছে।

০০০০

আফগানিস্তানৰ বিৰুদ্ধে পাকিস্তানে চলোৱা এয়াৰষ্ট্ৰাইকত শিশু আৰু মহিলাসহ বহু সাধাৰণ নাগৰিকৰ মৃত্যু হোৱাৰ পাছত ভাৰতে পাকিস্তানক কঠোৰ ভাষাৰে গৰিহণা দিছে। এটা বিবৃতিযোগে বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে কয় যে পাকিস্তানৰ আফগানিস্তানৰ সাৰ্বভৌমত্বৰ ওপৰত চলোৱা এই আক্ৰমণে আঞ্চলিক শান্তি আৰু স্থিতিশীলতাৰ প্ৰতি প্ৰত্যক্ষ ভাবুকি কঢ়িয়াই আনিছে। এই আক্ৰমণৰ জৰিয়তে পাকিস্তানৰ আভ্যন্তৰীণ ব্যৰ্থতা প্ৰতিফলিত হৈছে বুলিও বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে প্ৰকাশ কৰিছে। ভাৰতে আফগানিস্তানৰ নিহতসকলৰ পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰিছে আৰু আহতসকলৰ আশু আৰোগ্যৰ বাবে প্ৰাৰ্থনা কৰিছে। এই বিবৃতিৰ জৰিয়তে ভাৰতে আফগানিস্তানৰ সাৰ্বভৌমত্ব আৰু ভূখণ্ডৰ অখণ্ডতাৰ প্ৰতি পুনৰ অদম্য সমৰ্থন প্ৰকাশ কৰিছে।

০০০০

অসম ৰাইফলছে মণিপুৰত নিচামুক্তি ভাৰত অভিযান আৰু পালছ পলিঅ' প্ৰতিষেধক অভিযানৰ অধীনত ৰাজ্যখনৰ বিভিন্ন স্থানত ড্ৰাগছমুক্ত সমাজ গঢ়ি তোলাৰ উদ্দেশ্যে বিশেষ কাৰ্যসূচী ৰূপায়ণ কৰে। কালি কাকছিং জিলাৰ ছোৱাত তিনিটা ড্ৰাগছ বিৰোধী সংস্থাৰ সহযোগত অভিযান চলোৱা হয়। ছাত্ৰ-ছাত্ৰীসহ শতাধিক ব্যক্তি এই কাৰ্যসূচীত উপস্থিত থাকে। এই কাৰ্যসূচীত অংশগ্ৰহণ কৰি বিশেষজ্ঞসকলে ড্ৰাকছৰ ব্যৱহাৰৰ ফলত হ'ব পৰা মানসিক আৰু আৰ্থসামাজিক পৰিণতি সম্পৰ্কে আলোকপাত কৰে। লগতে ড্ৰাগছৰ সৰবৰাহ ৰোধ কৰাৰ লগতে সমগ্ৰ কাকছিং জিলাখন ড্ৰাগছমুক্ত কৰি তুলিবলৈ জনসাধাৰণৰ প্ৰতি আহ্বান জনায়।

০০০০

অহা তিনি জুলাইৰ পৰা আৰম্ভ হ'বলগীয়া ৫৭ দিনীয়া বাৰ্ষিক অমৰনাথ যাত্ৰাৰ পূৰ্বে নিৰাপত্তা সংস্থাসমূহে পঞ্জাবৰ পৰা জম্মু-কাশ্মীৰলৈ যাত্ৰা পথছোৱাত প্ৰস্তুতি অব্যাহত ৰাখিছে। সহস্ৰাধিক তীৰ্থ যাত্ৰীৰ যাত্ৰা নিৰাপদ আৰু সূচল কৰিবলৈ মকড্ৰিলৰ আয়োজন কৰা হৈছে। প্ৰথম গোটৰ তীৰ্থযাত্ৰীসকল জম্মু-কাশ্মীৰত উপস্থিত হ'বলৈ আৰম্ভ কৰিছে। জম্মু-শ্ৰীনগৰ ৰাষ্ট্ৰীয় ঘাইপথ, শিবিৰ আৰু হিমালয়ৰ অমৰনাথ মন্দিৰলৈ যোৱা পথছোৱাত নিৰাপত্তা বাহিনীসমূহে  বিশেষ সতৰ্কতা অৱলম্বন কৰিছে।

০০০০

ফিফা বিশ্বকাপত কালি নিশা আমেৰিকাৰ টেক্সাছৰ হিউষ্টন ষ্টেডিয়ামত অনুষ্ঠিত ৩২ৰাউণ্ডৰ এখন খেলত পাঁচবাৰৰ বিশ্বকাপ চেম্পিয়ন ব্ৰাজিলে জাপানক ২-১ গ'লত পৰাস্ত কৰে। দ্বিতীয়াৰ্ধত খেলপথাৰত প্ৰৱেশ কৰি ব্ৰাজিলৰ হৈ গেব্ৰিয়েল মাৰ্টিনেলিয়ে ষ্টপেজ টাইমৰ ষষ্ঠ মিনিটত বিজয়ী গ'লটো দিয়ে। ইয়াৰ পিছত ব্ৰাজিলে অহা দেওবাৰে নিউ জাৰ্চিৰ ইষ্ট ৰাদাৰফোৰ্ডত ১৬ ৰাউণ্ডৰ এখন খেলত আইভৰি কোষ্ট বা নৰৱেৰ বিৰুদ্ধে খেলিব।৩২ ৰাউণ্ডৰ আন এখন খেলত আমেৰিকাৰ বষ্টন ষ্টেডিয়ামত পেনাল্টিত ৪-১ গলৰ

ব্যৱধানত পেৰগুৱেই জাৰ্মানীক পৰাস্ত কৰে। ইয়াৰ পূৰ্বে কালি লছ এঞ্জেলছ ষ্টেডিয়ামত ৩২ ৰাউণ্ডৰ আন এখন মেচত দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে ১-০ গ'লত জয়লাভ কৰি সহ-আয়োজক কানাডাই ১৬ ৰাউণ্ডৰ বাবে যোগ্যতা অৰ্জন কৰা প্ৰথমটো দল হিচাপে পৰিগণিত হয়। খেলখনৰ দ্বিতীয়াৰ্ধৰ ষ্টপেজ টাইমৰ দ্বিতীয় মিনিটত কানাডাৰ হৈ ষ্টিফেন ইউষ্টাকিঅ'ই বিজয়ী গ'লটো দিয়ে।

০০০০

ঃঃ সমাপ্ত ঃঃ